**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 8-05-2025
**Time :** 19-10   Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১।  সন্ত্ৰাসবাদী কাৰ্যকলাপৰ মূল কেন্দ্ৰ হিচাপে পাকিস্তান সমগ্ৰ বিশ্বতে পৰিচিত বুলি বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে প্ৰকাশ কৰিছে।

২।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰীয় নিৰাপত্তা সংক্ৰান্তীয় শেহতীয়া ঘটনাৱলীক লৈ দেশৰ প্ৰস্তুতি আৰু আন্তঃমন্ত্ৰ্যালয় সমন্বয় সম্পৰ্কে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে।

৩।  প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় গুণগত মান সন্মিলনত ভাষণ দি দেশৰ সশস্ত্ৰ বাহনীক তেওঁলোকৰ সাহস আৰু বীৰত্বৰ বাবে অভিনন্দন জনায়।

৪।  অহা ২৯ মে'ৰ পৰা বিকশিত কৃষি সংকল্প অভিযান মুকলি কৰা হ'ব বুলি কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি প্ৰকাশ কৰে।

*আৰু*

৫।  আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাৱ কিংছ, ডেহলি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

পেহেলগাম আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে কেৱল পাকিস্তানৰ সন্ত্ৰাসবাদী ঘাটিতহে আক্ৰমণ চলাই ভাৰতে সিন্দুৰ অভিযান আৰম্ভ কৰিছিল যদিও পাকিস্তানৰ আক্ৰোশমূলক প্ৰত্যাক্ৰমণৰ উচিত প্ৰত্যুত্তৰ হিচাপে এই অভিযান অব্যাহত ৰাখিব। প্ৰতিৰক্ষা আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আজি আয়োজন কৰা এখন সংবাদমেলত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। বিদেশ সচিবগৰাকীয়ে কয় যে ভাৰতে সংযতভাৱে চলোৱা এই আক্ৰমণত কোনো অসামৰিক লোক নাইবা সামৰিক ঘাটিক লক্ষ্য কৰি লোৱা নাছিল যদিও পাকিস্তানে জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত ১৬গৰাকী নিৰীহ ভাৰতীয়ৰ ওপৰত আক্ৰমণ চলাই নিহত কৰে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতে পাকিস্তানৰ লাহোৰত থকা প্ৰতিৰক্ষা প্ৰণালীৰ ওপৰত আক্ৰমণ কৰি ধ্বংস কৰিছে বুলি বিদেশ সচিবগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে ভাৰতে যুদ্ধৰ উত্তেজনা সৃষ্টিৰ পৰিৱৰ্তে কেৱল সন্ত্ৰাসবাদীৰ আক্ৰমণৰ কঠোৰ প্ৰত্যুত্তৰ দিছিল। কোনো সন্ত্ৰাসবাদী দেশখনত নাই বুলি পাকিস্তানে দীৰ্ঘদিন ধৰি কৰি অহা দাবী নস্যাৎ কৰি সীমান্তত ধাৰাবাহিকভাৱে যুদ্ধবিৰতি উলংঘা কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। তদুপৰি পাকিস্তানৰ নীলম আৰু ঝেলাম প্ৰকল্পত ভাৰতে আক্ৰমণ কৰা বুলি তোলা অভিযোগ সম্পূৰ্ণ মনে সজা আৰু ভিত্তিহীন বুলি শ্ৰীমিশ্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰতে ধৈৰ্য আৰু সহনশীলতাৰে ৬৫ বছৰ ধৰি সিন্ধু জল চুক্তি মানি আহিছিল যদিও পাকিস্তানৰ বৰ্বৰ কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত এই চুক্তি ভংগ কৰিবলৈ বাধ্য হৈছে। সমগ্ৰ বিশ্বৰ সকলো ধৰ্মৰ লোকে এই আক্ৰমণক একেমুখে গৰিহণা দিছে বুলিও তেওঁ উল্লেখ কৰে। এই সংবাদ মেলত কৰ্ণেল ছ'ফিয়া কুৰেছী আৰু উইং কামাণ্ডাৰ

ব্যোমিকা সিঙে ভাৰতৰ সুৰক্ষা বাহিনীয়ে পাকিস্তানক দিয়া যোগ্য প্ৰত্যুত্তৰ সম্পৰ্কে অৱগত কৰে। বৈদেশিক সচিবগৰাকীয়ে কয়, যে পাকিস্তানে বিশ্বক সদায় বিপথে পৰিচালিত কৰি আহিছে। দেশখনে জন্ম লগ্নৰে পৰা মিছা কথা কৈ আহিছে। সন্ত্ৰাসবাদীক প্ৰশ্ৰয় দিয়া দেশখনৰ মুৰববী সন্ত্ৰাসবাদীৰ জানাজাত কিয় উপস্থিত আছিল বুলিও বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে সংবাদ মেলত প্ৰশ্ন উত্থাপন কৰে। পাকিস্তান সন্ত্ৰাসবাদীৰ মূল কেন্দ্ৰ বুলি বিশ্বত পৰিচিত হৈ পৰিছে বুলিও শ্ৰী মিশ্ৰীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চৰকাৰৰ বিভিন্ন মন্ত্ৰ্যালয় আৰু বিভাগৰ সচিবসকলৰ সৈতে ৰাষ্ট্ৰীয় নিৰাপত্তা সংক্ৰান্তীয় শেহতীয়া ঘটনাৱলীক লৈ দেশৰ প্ৰস্তুতি আৰু আন্তঃমন্ত্ৰ্যালয় সমন্বয় সম্পৰ্কে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকৰ  সময়ছোৱাত শ্ৰী মোদীয়ে কাৰ্যকৰী ধাৰাবাহিকতা আৰু প্ৰতিষ্ঠানিক সুস্থিৰতা বজাই ৰাখিবলৈ মন্ত্ৰ্যালয় আৰু সংস্থাসমূহৰ মাজত নিৰৱচ্ছিন্ন সমন্বয়ৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰী সাম্প্ৰতিক পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ মন্ত্ৰ্যালয়সমূহে কৰা পৰিকল্পনা আৰু প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। এই বৈঠকৰ সময়ছোৱাত বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। ইয়াৰ ভিতৰত নাগৰিক সুৰক্ষা শক্তিশালী কৰা, ভুল তথ্য আৰু ভুৱা বাতৰিৰ সৈতে মোকাবিলা কৰাৰ প্ৰয়াস আৰু গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিৰ নিৰাপত্তা নিশ্চিত কৰা। স্থানীয় কৰ্তৃপক্ষ আৰু বুনিয়াদী পৰ্যায়ৰ সংস্থাসমূহৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক বজাই ৰাখিবলৈও প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰ্যালয়সমূহক পৰামৰ্শ দিয়ে।

প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে সচিবসকলক নিজ নিজ মন্ত্ৰ্যালয়ৰ কাৰ্যৱলীৰ বিস্তৃত পৰ্যালোচনা কৰাৰ লগতে অত্যাৱশ্যকীয় ব্যৱস্থাসমূহৰ নিখুঁত কাৰ্যকলাপ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে, য'ত প্ৰস্তুতি, জৰুৰীকালীন সঁহাৰি আৰু আভ্যন্তৰীণ যোগাযোগৰ নীতি-নিৰ্দেশনাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। তেওঁ লগতে এই স্পৰ্শকাতৰ সময়ছোৱাত সজাগতা, প্ৰতিষ্ঠানিক সহযোগিতা আৰু স্পষ্ট যোগাযোগ অব্যাহত ৰাখিবলৈ আহ্বান জনায়। শ্ৰী মোদীয়ে ৰাষ্ট্ৰীয় নিৰাপত্তা, ফলপ্ৰসূ প্ৰস্তুতি আৰু নাগৰিকৰ সুৰক্ষাৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে দৃঢ়তাৰে কয়।

বৈঠকত মন্ত্ৰীসভাৰ সচিব, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ জ্যেষ্ঠ বিষয়া আৰু প্ৰতিৰক্ষা, গৃহমন্ত্ৰ্যালয়, বৈদেশিক পৰিক্ৰমা, তথ্য আৰু সম্প্ৰচাৰ, শক্তি, স্বাস্থ্য তথা দূৰ-সংযোগকে ধৰি গুৰুত্বপূৰ্ণ মন্ত্ৰ্যালয়সমূহৰ সচিবসকল উপস্থিত থাকে।

ooooo

ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে অপাৰেচন সিন্দুৰত উচ্চমানৰ সঁজুলি ব্যৱহাৰ কৰিছে, যাৰ ফলত পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত ভালেসংখ্যক সন্ত্ৰাসবাদীৰ মৃত্যু হয়। প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে কয়, যে সশস্ত্ৰ বাহিনীয়ে যিদৰে পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰত সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰিলে সেয়া দেশৰ বাবে গৌৰৱৰ বিষয়। নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় গুণগত মান সন্মিলনত ভাষণ দি শ্ৰী সিঙে দেশৰ সশস্ত্ৰ বাহনীক তেওঁলোকে প্ৰদৰ্শন কৰা সাহস আৰু বীৰত্বৰ বাবে অভিনন্দন জনায়। মন্ত্ৰীগৰকীয়ে কয়, যে নিৰীহ লোকৰ অপকাৰ নোহোৱাকৈ আৰু ন্যূনতম ক্ষয়-ক্ষতিৰে  এই অভিযান সম্পন্ন কৰা হয়।

প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ভাৰতৰ সাৰ্বভৌমত্বৰ সুৰক্ষাৰ ক্ষেত্ৰত  উদ্ভৱ হোৱা সকলো বাধা অতিক্ৰম কৰা হ'ব বুলি দেশবাসীক নিশ্চয়তা দিয়ে। তেওঁ কয়, যে ভৱিষ্যতেও এনেধৰণৰ দায়িত্ব সম্পন্ন কৰিবলৈ ভাৰত সম্পূৰ্ণৰূপে

সাজু আছে। শ্ৰী সিঙে কয়, যে ভাৰতৰ সম্প্ৰসাৰিত প্ৰতিৰক্ষা ঔদ্যোগীক ক্ষেত্ৰখনে দেশক অভূতপূৰ্ব শক্তি প্ৰদান কৰিছে। ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানি প্ৰায় ২৪ হাজাৰ কোটি টকাৰে অভিলেখ সৃষ্টি কৰা বুলিও তেওঁ প্ৰকাশ কৰে। চৰকাৰে ২০২৯ চনলৈ প্ৰতিৰক্ষা ৰপ্তানি ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলিও শ্ৰী সিঙে জানিবলৈ দিয়ে।

ooooo

অহা ২৯ মে'ৰ পৰা বিকশিত কৃষি সংকল্প অভিযান মুকলি কৰা হ'ব বুলি কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি প্ৰকাশ কৰে। অহা ১২ জুনলৈ চলিবলগীয়া এই অভিযানৰ জৰিয়তে কৃষকৰ মাজত আধুনিক প্ৰযুক্তি আৰু বিবিধ নতুন বীজৰ সৈতে সজাগতাৰ সৃষ্টি কৰা হ'ব। নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় কৃষি-খাৰিফ সজাগতা সন্মিলন ২০২৫ত উপস্থিত থাকি কেন্দ্ৰীয় কৃষি মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে।

১৫ দিনীয়া এই সজাগতা অভিযানৰ বিষয়ত আলোকপাত কৰি শ্ৰী চৌহানে কয়, যে এই অভিযানৰ অধিনত সমগ্ৰ দেশৰ ৭০০ খন জিলাৰ ১ কোটি ৫ লাখ খেতিয়কক সামৰি লোৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে কেন্দ্ৰই ৰাজ্য চৰকাৰসমূহৰ সহযোগত দুহেজাৰটা গোট গঠন কৰিব। এই গোটসমূহত কৃষি বিজ্ঞানী, বিষয়া আৰু প্ৰগতিশীল কৃষকৰ লগতে অন্যান্য সকলো থাকিব। প্ৰতিটো গোটেই জিলা পৰ্যায়ত প্ৰতিদিনে তিনিখনকৈ বৈঠক অনুষ্ঠিত কৰিব। ইয়াৰ জৰিয়তে প্ৰতিদিনে ১০ৰ পৰা ১২ লাখ খেতিয়কক সামৰি লোৱাৰ লক্ষ্য লোৱা হৈছে। ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰী চৌহানে কৃষি সম্প্ৰসাৰণ সেৱা উন্নত কৰি সকলো প্ৰধান শস্যৰ উৎপাদন বঢ়োৱাত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে সকলো নতুন প্ৰযুক্তি আৰু গৱেষণা নিৰ্দিষ্ট সময়ৰ ভিতৰত পৰীক্ষাগাৰৰ পৰা পথাৰলৈ উপলব্ধ হোৱাত গুৰুত্ব আৰোপ কৰিছে।

ooooo

নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ আগমন আৰু প্ৰস্থান কৰিবলগীয়া প্ৰায় ৯০ খন বিমান আজি পুৱা ৮ বজা পৰা দিনৰ ২ বজালৈ বাতিল কৰা হয়। প্ৰায় ৩৩ খন ঘৰুৱা বিমানৰ আগমন আৰু ৪৬ ঘন ঘৰুৱা বিমানৰ প্ৰস্থান বাতিল কৰা হয়। লগতে ৫ খন আন্তঃৰাষ্টীয় বিমানৰ প্ৰস্থান আৰু ৬ খন আন্তঃৰাষ্ট্ৰীয় বিমানৰ আগমনো বাতিল কৰা হয়।

ইয়াৰ পূৰ্বে অপাৰেচন সিন্দুৰৰ পৰিপ্ৰেক্ষিতত জম্মু, শ্ৰীনগৰ, লেহ, যোধপুৰ, অমৃতসৰ, ভূজ, জামনগৰ, চণ্ডীগড় আৰু ৰাজকোটলৈ প্ৰস্থান আৰু আগমন কৰিবলগীয়া ঘৰুৱা বিমানসমূহৰ উৰণ অহা ১০ মে'লৈ বাতিল কৰা হৈছে।

ooooo

আজি বিশ্ব থেলাছেমিয়া দিৱস। এই ৰোগত আক্ৰান্ত ৰোগীসকলৰ সংগ্ৰামৰ প্ৰতি সন্মান জনোৱাৰ লগতে ৰোগ আৰু ইয়াৰ লক্ষ্যণ সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ৮ মে'ত এই দিৱস উদযাপন কৰা হয়। এই বছৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে, **থেলাছেমিয়াৰ বাবে একেলগে ঃ সমূহিক একতা আৰু ৰোগীক অগ্ৰাধিকাৰ**। নতুন দিল্লীত চৰকাৰে আয়োজন কৰা থেলাছেমিয়া বাল সেৱা যোজনা অনুষ্ঠানত অংশগ্ৰহণ কৰি কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে দেশক থেলাছেমিয়া মুক্ত কৰাৰ বাবে হাস্পতাল প্ৰতিষ্ঠাৰ লগতে ৰাষ্ট্ৰজুৰি স্বেচ্ছাসেৱী অনুষ্ঠানৰ জৰিয়তে এই ৰোগৰ বিৰুদ্ধে সহাগতা সৃষ্টি বাবে আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে এই বেমাৰ ৰোধৰ বাবে সমূহিক প্ৰচেষ্টা প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে।

০০০০০

উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাত আজি পুৱা সংঘটিত এটা হেলিকপ্তাৰ দুৰ্ঘটনাত ছগৰাকী তীৰ্থযাত্ৰীয়ে প্ৰাণ হেৰুওৱাৰ লগতে আন এজন আহত হয়। আহত যাত্ৰীগৰাকীক চিকিৎসাৰ বাবে এয়াৰ এম্বুলেন্সৰ জৰিয়তে ঋষিকেশত অৱস্থিত এইমছলৈ প্ৰেৰণ কৰা হৈছে। আৰক্ষী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, অগ্নি নিৰ্বাপক বাহিনী, চিকিৎসা আৰু অন্যান্য দুৰ্যোগ সাহায্য বাহিনীৰ দল এটা ঘটনাস্থলীত উপস্থিত হৈ সাহায্য আৰু উদ্ধাৰ অভিযান সম্পন্ন কৰিছে। উল্লেখযোগ্য যে, তীৰ্থযাত্ৰীসকলক কঢ়িয়াই ডেৰাডুনৰ সহস্ৰধাৰা হেলিপেডৰ পৰা খাৰছালি হেলিপেড অভিমুখে গৈ থকা অৱস্থাত এটা ব্যক্তিগত প্ৰতিষ্ঠানৰ হেলিকপ্তাৰখন গংগনানী এলেকাৰ ওচৰত দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাটোৰ সময়ত হেলিকপ্তাৰখনত পাইলটগৰাকীকে ধৰি মুঠ সাতজন লোক আছিল। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে ঘটনাটোৰ তদন্তৰ নিৰ্দেশ দিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত খন্তেক পাছতে পাঞ্জাৱ কিংছ, ডেহলি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে কলকাতা নাইড ৰাইডাৰ্ছক ২ উইকেটত পৰাস্ত কৰে।

০০০০০

সমাপ্ত